**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-06-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

--------------------

১। খিলঞ্জীয়া আৰু জনজাতীয় লোকক উচ্ছেদ কৰাৰ বাবে চৰকাৰৰ কোনো পৰিকল্পনা নাই বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

২। অসম সত্ৰ ভূমি সমস্যা পৰ্যৱেক্ষণ আৰু পৰীক্ষণ আয়োগৰ চূড়ান্ত প্ৰতিবেদন দাখিল। পূৰ্ণাংগ সত্ৰ আয়োগ গঠনৰ বাবে ৰাজ্য চৰকাৰৰ পৰিকল্পনা।

৩। মানস ৰাষ্ট্ৰীয় উদ্যানত দেশী-বিদেশী পৰ্যটকৰ সংখ্যা বৃদ্ধি। চলিত বৰ্ষত এক কোটি ৭৩ লাখ টকাৰ ৰাজহ সংগ্ৰহ।

৪। ছদিনীয়া ভ্ৰমণসূচীৰে অসম আৰু মেঘালয়লৈ অহা ভূটানৰ গেলেফু মাইণ্ড ফুলনেছ ছিটীৰ প্ৰতিনিধি দলৰ আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ বৈঠক।

**আৰু**

৫। জাৰ্মানীৰ মিউনিখত আজি চলিত বৰ্ষৰ ISSF বিশ্বকাপ শ্বুটিং প্ৰতিযোগিতা আৰম্ভ।

০০০০০০

খিলঞ্জীয়া আৰু জনজাতীয় লোকক উচ্ছেদ কৰাৰ বাবে চৰকাৰৰ কোনো পৰিকল্পনা নাই বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সদনৰ মজিয়াত প্ৰকাশ কৰিছে। অহা ১০০ বছৰলৈ জনজাতীয় লোকৰ ভূমি উচ্ছেদৰ বাবেও চৰকাৰে পৰিকল্পনা কৰা নাই বুলি মুখ্যমন্ত্ৰীয়ে সদৰি কৰিছে। অগপ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই জনজাতীয় লোকসকলে বাস কৰা চাহ বাগিচা অঞ্চলত চেটেলাইট টাউনশ্বিপ গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰে চিন্তা-চৰ্চা কৰা বিষয়টো উত্থাপন কৰাত মুখ্যমন্ত্ৰীয়ে কয়, যে টাউনশ্বিপ গঢ়ি তোলাৰ পৰিকল্পনাৰ কথাটো ভুল তথ্যৰ ওপৰত ভিত্তি কৰি প্ৰচাৰ কৰা হৈছে। ৰাভা সম্প্ৰদায় বা বানে ভগা মানুহৰ সম্পত্তি উচ্ছেদ কৰাৰ বাবে চৰকাৰে কোনো পৰিকল্পনা কৰা নাই বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে গোৱালপাৰাৰ ৰাক্ষসিনীত উচ্ছেদ চলোৱা হ'ব বুলি প্ৰকাশ কৰিছে। গোৱালপাৰা জিলাত ট্ৰাইবেল বেল্ট আৰু ব্লকত বহু লোকে অবৈধভাৱে বসতি লৈ থকা বুলিও মুখ্যমন্ত্ৰীয়ে সদনৰ মজিয়াত প্ৰকাশ কৰিছে। ৰাক্ষসিনি ভূমিও জনজাতীয় বেল্টৰ ভূমিৰূপে সংৰক্ষণ হোৱাৰ প্ৰয়োজন বুলি ড০ শৰ্মাই কয়।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

ইপিনে, ডিব্ৰুগড়ৰ বিমান বন্দৰ ড০ ভূপেন হাজৰিকাৰ নামেৰে নামকৰণৰ প্ৰস্তাৱ সদনত গৃহীত হোৱাৰ পাছত তেজপুৰৰ বিমান বন্দৰটো জ্যোতি-বিষ্ণু নামেৰে নামকৰণ কৰাৰ বাবে চৰকাৰে পৰৱৰ্তী সময়ত পদক্ষেপ ল'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে।

০০০০০০

অসম সত্ৰভূমি সমস্যা পৰ্যবেক্ষণ আৰু পৰীক্ষণ আয়োগে বিস্তৃত ক্ষেত্ৰভিত্তিক পৰ্যবেক্ষণৰ দ্বাৰা প্ৰস্তুত কৰা চূড়ান্ত প্ৰতিবেদন কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক দাখিল কৰে। দিছপুৰৰ লোকসেৱা ভৱনত আয়োজিত অনুষ্ঠানত সমিতিখনে এই প্ৰতিবেদন আনুষ্ঠানিকভাৱে দাখিল কৰে। প্ৰতিবেদন গ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কালিৰ দিনটোত অসমৰ জাতীয় স্বাভিমান সুৰক্ষাৰ ক্ষেত্ৰত অত্যন্ত গুৰুত্বপূৰ্ণ বুলি অভিহিত কৰে। এই পদক্ষেপৰ সৈতে জড়িত অসম সত্ৰ আয়োগৰ অধ্যক্ষ, ৰাজ্যৰ প্ৰাক্তন মন্ত্ৰী প্ৰদীপ হাজৰিকা, আয়োগৰ সদস্যদ্বয় বিধায়ক মৃণাল শইকীয়া, ৰূপক শৰ্মাৰ উপৰি সমূহ বিষয়া-কৰ্মচাৰীক মুখ্যমন্ত্ৰীয়ে অভিনন্দন জ্ঞাপন কৰে।

বাইট – চি এম

সত্ৰসমূহক অসমৰ জাতীয় জীৱনৰ স্পন্দন বুলি অভিহিত কৰি ৰাজ্যৰ সত্ৰসমূহৰ সন্মুখত প্ৰত্যাহ্বান আহি পৰিছে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ কয়, যে বৰপেটা, পাটবাউসীকে ধৰি কেইখনমান সত্ৰৰ উন্নয়নৰ বাবে চৰকাৰে পদক্ষেপ লৈছে। অৱশ্যে ৯২২ খন সত্ৰলৈ পৰিৱৰ্তন অনাটো সহজ কাম নহয় আৰু ইয়াৰ বাবে সামাজিক আৰু ৰাজনৈতিক সহযোগিতাৰ প্ৰয়োজন আছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। ইয়াৰ বাবে ৰাজ্য চৰকাৰে পূৰ্ণাংগ সত্ৰ আয়োগ গঠন কৰি সত্ৰসমূহলৈ আইনগত আৰু আৰ্থিক সহযোগিতা প্ৰদানৰ পৰিকল্পনা লৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে প্ৰতিখন সত্ৰৰ সৈতে বৈঠক অনুষ্ঠিত কৰি ২৫ বছৰীয়া পৰিকল্পনা গ্ৰহণ কৰা হ'ব। কালিৰ অনুষ্ঠানত মন্ত্ৰী অতুল বৰা, কেশৱ মহন্ত, বিমল বৰা, অসম সত্ৰ ভূমি সমস্যা পৰ্যবেক্ষণ আৰু পৰীক্ষণ আয়োগৰ অধ্যক্ষ প্ৰদীপ হাজৰিকা প্ৰমুখ্যে সদস্যসকল আৰু শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

০০০০০০

মানস ৰাষ্ট্ৰীয় উদ্যানত চলিত বিত্তীয় বৰ্ষত দেশী-বিদেশী পৰ্যটকৰ সংখ্যা বৃদ্ধি পোৱাৰ লগতে ৰাজহ সংগ্ৰহ যথেষ্ট বৃদ্ধি পাইছে। ২০২৪-২৫ বিত্তীয় বৰ্ষত উদ্যানখনৰ পৰা এক কোটি ৭৩ লাখতকৈও অধিক ৰাজহ সংগ্ৰহ কৰা হৈছে। এই সময়ছোৱাত ৬০ হাজাৰ ৯১২ গৰাকী ঘৰুৱা আৰু তিনি হাজাৰ ৪২৬ গৰাকী বিদেশী পৰ্যটকে ৰাষ্ট্ৰীয় উদ্যানখন ভ্ৰমণ কৰিছে। ২০২৩-২৪ বৰ্ষত সংগৃহীত ৰাজহৰ পৰিমাণ আছিল প্ৰায় এক কোটি ৪০ লাখ। এই সময়ছোৱাত ৫০ হাজাৰ ৫১৫ গৰাকী ঘৰুৱা আৰু এহেজাৰ ৮১৬ গৰাকী বিদেশী পৰ্যটকে উদ্যানখন ভ্ৰমণ কৰিছিল। ২০২২-২৩ বৰ্ষত ৫৫ হাজাৰ ২৫৭ গৰাকী ঘৰুৱা আৰু ৯২৪ গৰাকী বিদেশী পৰ্যটকে উদ্যানখন ভ্ৰমণ কৰিছিল। এই সময়ছোৱাত সংগৃহীত ৰাজহৰ পৰিমাণ আছিল প্ৰায় এক কোটি ৩৫ লাখ। বি টি আৰত বৰ্তমান বিৰাজ কৰা শান্তি আৰু সুস্থিৰ পৰিৱেশ উদ্যানখনত পৰ্যটকৰ আগমন বৃদ্ধিৰ প্ৰধান কাৰকৰূপে চিহ্নিত হৈছে। লগতে উদ্যানখনত চলি থকা সংৰক্ষণমূলক কাম-কাজ, জৈৱ বৈচিত্ৰ্য ৰক্ষা আৰু স্থানীয় জনগোষ্ঠীৰ সংক্ৰিয় অংশগ্ৰহণেও পৰ্যটকক উদ্যানখনলৈ আকৃষ্ট কৰিছে।

উল্লেখযোগ্য যে ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰূপে স্বীকৃতি লাভ কৰা মানস ৰাষ্ট্ৰীয় উদ্যান ব্যঘ্ৰ সংৰক্ষিত উদ্যান ৰূপেও সুপৰিচিত।

০০০০০০

অসম আৰু মেঘালয়ত ছদিনীয়া ভ্ৰমণসূচীৰে অহা ভূটানৰ গেলেফু মাইণ্ড ফুলনেছ চিটীৰ প্ৰতিনিধি দলটোৰে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ৰাজ্যৰ মুখ্য সচিব আৰক্ষী সঞ্চালকপ্ৰধান আৰু অন্য শীৰ্ষ বিষয়াৰ সৈতে বৈঠকত মিলিত হোৱাৰ সম্ভাৱনা আছে। এই বৈঠকত দেশখনৰ সৈতে বহনক্ষম উন্নয়নৰ ক্ষেত্ৰত সহযোগিতা বৃদ্ধি, প্ৰযুক্তি, আধ্যাত্মিকতা আৰু ধৰ্মীয় যোগাযোগ স্থাপন সন্দৰ্ভত আলোচনা কৰা হ'ব। ৭ জুনত গুৱাহাটীত উপস্থিত হোৱা দলটোৱে এই ভ্ৰমণৰ প্ৰথমদিনা হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰ দৰ্শন কৰে। ইয়াৰ পাছত তেওঁলোকে আই আই টি গুৱাহাটীত উপস্থিত হৈ প্ৰতিষ্ঠানটোৰ সঞ্চালক অধ্যাপক দেৱেন্দ্ৰ জালিহাল প্ৰমুখ্যে কেইবাগৰাকীও অধ্যাপকৰ সৈতে মত বিনিময় কৰে। দলটোৱে বাঁহ ব্যৱহাৰ কৰি আই আই টিয়ে কৰা অভিনৱ তথা বহনক্ষম সামগ্ৰী নিৰ্মাণ আৰু থ্ৰী ডি প্ৰিণ্টেড সঁজুলিৰ লেখীয়া উদ্ভাৱনীমূলক কাৰ্যকলাপসমূহ প্ৰত্যক্ষ কৰে। দলটোৱে দেওবাৰে গুৱাহাটীৰ অসম ৰাজ্যিক চিৰিয়াখানা পৰিদৰ্শন কৰি মাণ্ডলিক বন বিষয়া অশ্বিনী কুমাৰৰ সৈতে আলোচনাত মিলিত হয়। গুৱাহাটীস্থিত ভূটানৰ কনছুল জেনেৰেল জিগমে থিনলে নামগ্যাল আৰু ৰয়েল ভূটানিজ কনছুলেট জেনেৰেল ফুৰ্পা শ্বেৰিঙৰ নেতৃত্বৰ দলটোৱে  কালি মেঘালয় ভ্ৰমণ কৰে।

০০০০০০

সেৱা, সুশাসন আৰু দৰিদ্ৰ কল্যাণৰ আদৰ্শৰে দেশে ৰূপান্তৰৰ এটা দশক সম্পূৰ্ণ কৰিছে। চৰকাৰে যোৱা ১১ বছৰে বিভিন্ন গুৰুত্বপূৰ্ণ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপসমূহৰ সন্দৰ্ভত আকাশবাণীয়ে বিশেষভাৱে প্ৰচাৰ কৰি আহিছে। আজিৰ শিতানত উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ যাত্ৰা আৰু এসময়ত আওহতীয়া অঞ্চল বুলি অবহেলিত উত্ত-পূব যোগাযোগ আৰু প্ৰগতিৰ ক্ষেত্ৰত নিদৰ্শন হৈ পৰাৰ বিষয়টো আলোকপাত কৰিবলৈ লোৱা হৈছে।

ভইচ

০০০০০০

মণিপুৰৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত কেন্দ্ৰীয় নেতাসকলৰ সৈতে আলোচনাৰ বাবে ৰাজ্যখনৰ প্ৰাক্তন মুখ্যমন্ত্ৰী এন বীৰেণ সিং ৰাজ্যসভাৰ সাংসদ লেইচেম্বা চানাজাওবাৰ সৈতে কালি নতুন  দিল্লীলৈ ৰাওনা হয়। ২০২৩ চনৰ মে'ৰ পৰা ৰাজ্যখনত জনগোষ্ঠীয় হিংসাৰ ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত আৰম্বাই টেংগল গোটৰ এগৰাকী নেতা কানন সিঙকে ধৰি পাঁচজন নেতাক চি বি আইৰ দ্বাৰা গ্ৰেপ্তাৰৰ বিৰোধিতা কৰি যোৱা শনিবাৰৰ পৰা ৰাজ্যখনৰ ৫ খন জিলাত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। নেতাগৰাকীক ৰাজ্যৰ বাহিৰলৈ নিব পাৰে বুলি প্ৰকাশ পোৱাৰ পাছতে প্ৰতিবাদকাৰীয়ে ইম্ফল বিমান বন্দৰ ঘেৰাও কৰাৰ লগতে বিভিন্ন স্থানত অগ্নিসংযোগ কৰে।  ৰাজ্যখনৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে পাঁচখন জিলাত ইণ্টাৰনেট সেৱা বন্ধ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। শনিবাৰে নিশা ১১ বাজি ৪৫ মিনিটৰ পৰা এই নিষেধাজ্ঞা কাৰ্যকৰী হৈছে। পশ্চিম ইম্ফল, পূব ইম্ফল, থৌবাল, বিষ্ণুপুৰ আৰু কাকচিং জিলাত এই নিষেধাজ্ঞা জাৰি কৰা হয়। ৰাজ্যিক বিজেপিৰ নেতা এন বীৰেণ সিঙে ইম্ফল বিমান বন্দৰত সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত কয়, যে মণিপুৰৰ পৰিস্থিতি কালি পৰ্যন্ত গুৰুতৰ হৈ আছে। এনে সময়ত তেওঁ জনসাধাৰণক সুস্থিৰ হৈ থাকিবলৈ আৰু প্ৰতিবাদৰ সময়ত হিংসাত্মক কাৰ্য এৰাই চলিবলৈ আহ্বান জনায়। ইপিনে, মেইটেই নেতাগৰাকীক মুকলি কৰাৰ দাবীত আৰম্বাই টেংগল গোটে  ১০ দিন বন্ধ ঘোষণা কৰা ৰাজ্যখনৰ উপত্যকা জিলাসমূহত বিগত দুদিন ধৰি পৰিস্থিতি উদ্বেগজনক হৈ আছে। স্পৰ্শকাতৰ অঞ্চলসমূহত অতিৰিক্ত সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰা হৈছে। কালি বিয়লি মণিপুৰৰ পশ্চিম ইম্ফল জিলাৰ টেৰা চাপাম

অঞ্চলত দুৰ্বৃত্তই কেইবাজাই গুলি ফুটোৱাৰ পাছত অঞ্চলটোত সুৰক্ষা বাহিনী নিয়োগ কৰাৰ উপৰি অভিযান চলোৱা হৈছে।

০০০০০০

হাতী-মানুহৰ সংঘাত ৰোধৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা গজ মিত্ৰ কাৰ্যসূচীৰ অধীনত যোৰহাট জিলাকো সামৰি লোৱা হ'ব। কালি বিধানসভাত মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে হাতী-মানুহৰ সংঘাত সন্দৰ্ভত উত্থাপন কৰা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে যোৰহাট জিলাৰ গিবন অভয়াৰণ্যৰ পৰা যাতে হাতী জনাঞ্চললৈ ওলাই আহিব নোৱাৰে তাৰবাবে চৰকাৰে সৌৰ বেৰ দিয়াৰ প্ৰকল্প লৈছে। সেই অনুসৰি ২০২৫-২৬ বৰ্ষত অভয়াৰণ্যখনৰ সমীপৰ ৬ কিলোমিটাৰ এলেকাত সৌৰ বেৰ দিয়া হ'ব। উল্লেখযোগ্য যে হাতী-মানুহৰ সংঘাত বৃদ্ধি পোৱা ছখন জিলা গোলাঘাট, গোৱালপাৰা, ওদালগুৰি, নগাঁও, বাক্সা আৰু শোণিতপুৰত ইতিমধ্যে চৰকাৰে গজ মিত্ৰ কাৰ্যসূচী ৰূপায়ণৰ সিদ্ধান্ত লৈছে। ইয়াৰ বাবদ ২০ কোটি টকা ব্যয় ধাৰ্য কৰা হৈছে। ইয়াৰ জৰিয়তে ইয়াৰ জৰিয়তে হাতীৰ বাসস্থান নিশ্চিত কৰা, হস্তীকুলৰ গতিবিধি নিৰীক্ষণৰ বাবে কৃত্ৰিম বুদ্ধিমত্তাচালিত কেমেৰা সংস্থাপন কৰা আৰু হাতীয়ে সঘনাই খাদ্য বিচাৰি ফুৰা অঞ্চলত আগতীয়াকৈ ধান ক্ৰয়ৰ ওপৰত গুৰুত্ব দিয়া হ'ব। একেদৰে যান-বাহন চলাচল কৰা পথ আৰু ৰে'লপথৰ মূল ক্ৰছিং পইণ্টত জীৱ-জন্তুৰ বাবে নিৰাপদ ক্ৰছিং নিশ্চিত কৰা হ'ব।

০০০০০০

জাৰ্মানীৰ মিউনিখত আজি চলিত বৰ্ষৰ ISSF বিশ্বকাপ শ্বুটিং প্ৰতিযোগিতা আৰম্ভ হ'ব। মহিলাৰ ১০ মিটাৰ এয়াৰ ৰাইফল আৰু পুৰুষৰ ১০ মিটাৰ এয়াৰ পিষ্টল শিতানৰ ফাইনেলেৰে এই প্ৰতিযোগিতা মুকলি হ'ব। এইবেলি ৩ গৰাকী ভাৰতীয় খেলুৱৈয়ে এই প্ৰতিযোগিতাত অভিষেক ঘটাবলৈ সাজু হৈছে। ৩৬ গৰাকী খেলুৱৈৰে সমৃদ্ধ ভাৰতীয় দলটো প্ৰতিযোগিতাত ভাগ লোৱা দেশসমূহৰ ভিতৰত সৰ্ববৃহৎ দল হিচাপে পৰিগণিত হৈছে। অলিম্পিকৰ পিষ্টল শিতানত ব্ৰঞ্জৰ পদক অৰ্জন কৰা মনু ভাকেৰ আৰু কিৰণ অংকুশ যাদৱকে ধৰি পুৰুষৰ ৰাইফল শিতানৰ তাৰকা খেলুৱৈ অৰ্জুন বাবুটা আৰু স্বপ্নীল কুশালেও প্ৰতিযোগিতাত দেশক প্ৰতিনিধিত্ব কৰিব। বিশ্বকাপত চাৰিবাৰকৈ পদক অৰ্জন কৰা বৰুণ টোমৰ আৰু বিশ্বকাপত দুবাৰকৈ সোণৰ পদক অৰ্জন কৰা এলাভেনিল ভালাৰিভানৰ লগতে ইন্দৰ সিং সুৰুচি আৰু সৰৱজোৎ সিঙেও প্ৰতিযোগিতাত দেশৰ হৈ প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

০০০০০০

Review

================

**অসমীয়া প্ৰতিদিন কাকতে " পত্নী সোনম-প্ৰমিক ৰাজ কুশ্বৰাহাৰ ষড়যন্ত্ৰতে হত্যা কৰা হৈছিল ৰাজা ৰঘুবংশীক" শিৰোনামেৰ বাতৰিত চেৰাপুঞ্জীত মধ্যপ্ৰদেশৰ পৰ্যটকক হত্যাৰ বাতৰিত পত্নী জড়িত থকাৰ শিহৰণকাৰী খৱৰ প্ৰকাশ কৰিছে। এই বাতৰি আজি কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।**

কুলশী নদীত চৰকাৰে স্থাপন কৰিবলৈ গ্ৰহন কৰা ৫৫ মেগাৱট জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণৰ সিদ্ধান্ত বাতিলৰ দাবীত কালি কেইবাটাও দল-সংগঠনে প্ৰতিবাদ সাব্যস্ত কৰে। এই বাতৰি দৈনিক অসম কাকতে " জলবিদ্যুৎ প্ৰকল্পৰ প্ৰতিবাদত উত্তাল উকিয়াম শিৰোনামেৰে প্ৰকাশ কৰিছে।

বিদেশী বিতাড়নৰ ক্ষেত্ৰত চৰকাৰে আপোচ নকৰে আৰু এন আৰ চিৰ তথ্য সুৰক্ষিত কৰিবলৈ চৰকাৰে কাম কৰি আছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। এই বাতৰিটো এন আৰ চিত নাম থাকিলেও বিতাড়িত হ'ব সন্দেহজনক নাগৰিক" শিৰোনামেৰে আমাৰ অসম কাকতত প্ৰকাশ পাইছে।
অসমৰ ৰাজ্যসভাৰ খালী হোৱা দুখন আসনৰ বাবে বিজপি প্ৰাৰ্থী কনাদ পুৰকায়স্থ আৰু অগপ প্ৰাৰ্থী বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই অসম বিধানসভাৰ সংশ্লিষ্ট নিৰ্বাচনী বিষয়াৰ হাতত মনোনয়ন পত্ৰ দাখিল কৰে। এই বাতৰি অসমীয়া খবৰ কাকতৰ লগতে আনবোৰ কাকতেও প্ৰকাশ কৰিছে।

অসম বিধানসভাৰ কালিৰ বিশেষ অধিৱেশন ড° ভুপেন হাজৰিকাৰ গীতে-মাতে মুখৰ হৈ উঠা আৰুডিব্ৰুগড় বিমানকোঠৰ নাম সুধাকণ্ঠগৰাকীৰ নামেৰে নামকৰণ কৰিবলৈ লোৱা বাতৰিটো দৈনিক অগ্ৰদূত কাকতৰ লগতে অন্যান্য কাকতেও প্ৰকাশ কৰিছে।
অবৈধ বাংলাদেশী বিতাড়ন সন্দৰ্ভত কালি অসম বিধানসভাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্যৰে দি আসাম ট্ৰিবিউনে এটা বাতৰি প্ৰকাশ কৰিছে।
পুনৰ গোষ্ঠী সংঘৰ্ষত উতপ্ত মণিপুৰ। প্ৰতিবাদকাৰীয়ে জ্বলাই দিলে চৰকাৰী কাৰ্যালয়- বাহন। এই বাতৰি নিয়মীয়া বাৰ্তা কাকতত।

দৈনিক জনমভূমি কাকতে বিধানসভাত কালি অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি গৌৰৱ গগৈ আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থকা এটা বাতৰি প্ৰকাশ কৰিছে। আই এছ বিষয়া ইন্দ্ৰেশ্বৰ কলিতাৰ বিৰুদ্ধে মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে চাৰ্জশ্বীট দাখিল কৰিছে। এই বাতৰি দ্যা চেণ্টিনেল কাকতৰ।00000

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, মণিপুৰ, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে। আজিৰ দিনটোত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মণিপুৰ আৰু মিজোৰামত ২ৰ পৰা ৩ ডিগ্ৰী উষ্ণতা বৃদ্ধি পাব বুলিও কেন্দ্ৰটোৱে প্ৰকাশ কৰিছে।

০০০০০০

সমাপ্ত